Barooahs
H P BAROOAH GROUP

# B & A Limited

Corporate Office : 113 Park Street, 9th Floor, Kolkata - 700 016
Phone : (033) 2229 - 5098, 2217- 6815
E-mail : contact@barooahs.in, Website : www.barooahs.com
CIN : L01132AS1915PLC000200

10th August, 2026

**Ref: B&A/KOL/SEC/284**

To
The General Manager
Department of Corporate Affairs
BSE Limited
Phiroze Jeejebhoy Towers
Dalal Street,
Mumbai- 400001

**Scrip Code: 508136**

**Subject: Intimation of Standalone and Consolidated Un-Audited Financial Results of the Company for the quarter ended 30th June, 2026- Newspaper Publication.**

Dear Sir/Madam

Pursuant to Regulation 47 of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015, please find enclosed herewith the copies of newspaper advertisement in respect of the Standalone and Consolidated Un-Audited Financial Results of the Company for the quarter ended 30th June, 2026 published in "Business Standard" (English) and "Amar Assam" (Assamese) on 10th August, 2026.

The said clippings of newspaper advertisement are also available on the website of the Company at **https://www.barooahs.com/.**

This is for your information and records.

**Thanking You,**

**Yours Faithfully**

BINITA PANDEY
Digitally signed by BINITA PANDEY
Date: 2026.08.10 16:36:32 +05'30'

B & A LIMITED
KOLKATA 700 016

**Binita Pandey**
**Company Secretary & Compliance Officer**
**A41594**

## CLASSIFIED ADVERTISEMENT

**REQUIRED**

Required candidate for warehouse Store Incharge, supervisor, Exman, Receptionist at Kamrup, Barpeta, Dibrugarh, Jorhat district, Assam. Contact: 9707057345.

**DEALER/DISTRIBUTOR**

ASSAM MAKHANA UDYOG, Jagiroad, Assam Taal Makhana Manufacturer. Contact for Dealership/ Distributorship and Seeds supply

Contact no. : 98640 35533
Contact no. : 98640 62666

**জ্যোতিষী**

জ্যোতিষ, বাস্তু, বৈদিক তন্ত্ৰ, সংখ্যাতত্ব, হস্তৰেখা, লাল কিতাপ মিশ্ৰিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান।

**ত্ৰিকাল ৰাজগুৰু**
নগাঁও
9954021556 / 9957066469

**LAND & PROPERTY**

Land: 3 bigha commercial land at Pamohi, 2 bigha 3 katha at Dharapur, 3 bigha 3 katha Biharbari, 8 bigha at Lokhra,1 bigha Land with godown at Boragaon, 4 Bigha Chokigate Changsari, 4 bigha Baihata Rangia 1st plot, Land with building at Ulubari G.S Road /2 katha near Rehabari, 2.5 b, 5b,10b developed industrial land at Palasbari & Rampur /2b, 3b, 4b, 5b, 6b at Amingaon & Gauripur / 1.5b, 5b,7b, developed land at Madanpur / and many more plot. Commercial Space for Sale: 2400 sqft at Athgaon, 1500 sqft, 3400 sqft, 6500 sqft at G.S Road, Contact: SHREE JAIN PROPERTIES, 9864034949

GW26000369

**NAME CORRECTION**

My actual name is Rupbhanu Bewa W/O Mr. Jamir uddin but my name wrongly recorded as Miss Rupbhanu Bewa in Assam Gramin Vikash Bank ,Alomganj which A/c no.7141029004264.Rupbhanu Bewa & Miss Rupbhanu Bewa is one and same person.Rupbhanu Bewa W/o Mr.Jamir Uddin, Vill:Chitolkati,PO:Alomganj PS:Fakirganj,PIN:783339 M-6003289419

**নাম শুধৰণি**

আমাৰ মাটিৰ দাগ নং 401,414 মোৰ নামটো ভুলবশতঃ Bhimkanta Danah ৰ পৰিবৰ্তে Bhimeswar Danah বুলি লিপিবদ্ধ হৈছে। ডিব্ৰুগড় নটাৰী যোগে মোৰ নাম Bhimkanta Danah বুলি শুধৰণি কৰিলোঁ। Bhimkanta Danah আৰু Bhimeswar Danah একেজন ব্যক্তি হয়।Bhimkanta Danah C/O Late Lakheswar Danah P.O Silgrant, Mousa - Tingkhong, Dibrugarh

**AFFIDAVIT**

I ,Raktima Boruah W/O - Dipankar Kalita, Chalantapara,pt.I ,Chalantapara ,Jogighopa ,Bongaigaon ,Assam by affidavit through notary ,North Salmara dated 6/8/ 2026 declare that in my AGVB saving bank account vide A/C no- 7123026018498 my name recorded as Raktima Boruah Kalita .Both Raktima Boruah and Raktima Boruah Kalita is same & one person.

**AFFIDAVIT**

I Madhurjya Sarmah Kandoli S/O- Late Thaneswar Sarmah, Vill. Morikolong, P.S. Nagaon and Dist. Nagaon, declared through affidavit that my actual name is Madhurjya Sarmah Kandoli, which has been recorded in official documents including my Adhar Card & Pan Card. But my name has been recorded in my HSLC Certificate Sl. No- 0355, Roll-R2-73, No- 61as Madhurjya Sarma Kandoli instead of Madhurjya Sarmah Kandoli .

**NAME CORRECTION**

I, Ram Kumari Ray, D/o Munna Kanti, R/o Ward No. 5, P.O. & P.S. Barpeta Road, Dist. Barpeta, Assam, declare by affidavit before the Notary Public, Barpeta that in my Union Bank of India, Barpeta Road Branch, A/C No. 344102120000655, my name has been wrongly recorded as Ram Kumari instead of Ram Kumari Ray. Ram Kumari Ray and Ram Kumari are one and the same person, and my correct name is Ram Kumari Ray.

**FLATS FOR SALE**

Book your DREAM HOME in one of our ongoing residential projects in Guwahati: *Sailaja's Maanav Abode - Ranibagan, Beltola (3BHK available) *Sailaja's Arup Arcadia - Chandan Nagar, Sixmile (3BHK available) *Sailaja's M H Complex - NH-27, Lokhra (2BHK, 3BHK & 4BHK available). **Contact: PROMOTER: 8471923990/7002904158.**
**Email: sailajaconstruction@gmail.com**
**Website: sailajaconstructions.com**

**নাম শুধৰণি**

গোগামুখ ৰাজহ চক্ৰৰ ওখমাটি নেপালী মেপৰ ১০৩২ নং দাগত থকা মোৰ ভূমিৰ জমাবন্দীত মোৰ নাম Bhupen Atri-ৰ সলনি Bhuban Atri বুলি উল্লেখ আছে। ধেমাজি কৰ্টত কৰা নটাৰীৰ জৰিয়তে মোৰ নাম Bhupen Atri বুলি শুধৰণি কৰা হ'ল।
Bhupen Atri
গ ওখমাটি নেপালী, ওখমাটি, গোগামুখ, ধেমাজি।

**NAME CHANGE**

I have changed my name from Kayea khudia kheinamo to Kayea Khudai Kheinamo by an affidavit before the Notary Public manipur.senapati date-07/ 08/2026.affidavit Regd no- 584/2024. I shall be known asKayea Khudai kheinamo.

**NAME CHANGE**

I have changed my name from Mohammed Jakar Uddin to Jakar Uddin by swearing a notarial affidavit at in Guwahati Kamrup. From today onwards I will be known as Jakar Uddin for all purposes.

**AFFIDAVIT**

I, Gitumoni Devi, W/O. Late Bishwajit Nath, Village & P.O. Mikirbheta, District: Morigaon, Assam declared by affidavit by Magistrate that due to clerical mistakes, my deceased husband and daughter's name was wrongly written in class IX registration application bearing No.19/ UP/0871/829406/26 as Kandarpa Kumar Nath and Krishtri Devi. Now, I need to correct my daughter's and deceased husband's name, i.e. the father's name of daughter as Krishti Devi and Bishwajit Nath.


# ছ'চিয়েল মিডিয়া আৰু শিশুৰ মানসিক স্বাস্থ্য

■ পংকজ কুমাৰ নেওগ

**১৬** বছৰৰ তলৰ কিশোৰ-কিশোৰীসকলৰ বাবে ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা আৰোপৰ ক্ষেত্ৰত অষ্ট্ৰেলিয়াক অনুসৰণ কৰাৰ লক্ষ্যৰে গ্ৰেট বৃটেইন আৰু অন্যান্য দেশে পদক্ষেপ গ্ৰহণ কৰিছে যদিও সময়ৰ লগে লগে যুৱক-যুৱতীসকলৰ মানসিক স্বাস্থ্যত ই কেনে প্ৰভাৱ পেলাব সেই বিষয়ে আমি এতিয়াও বহুতো কথা নাজানো। উদাহৰণস্বৰূপে— প্ৰতিদিনে নিৰ্দিষ্ট সময় ধৰি ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে ক্ষতিৰ পৰিমাণ বৃদ্ধি কৰে নেকি? বয়সত ডাঙৰ কিশোৰ-কিশোৰীসকলৰ তুলনাত কম বয়সৰ কিশোৰ-কিশোৰীসকলৰ বিপদ বেছি হ'ব পাৰে নেকি? ল'ৰা আৰু ছোৱালীৰ মাজত কিবা পাৰ্থক্য আছেনে? চলিত বছৰৰ জুন মাহৰ 'মেডিকেল জাৰ্নেল অৱ অষ্ট্ৰেলিয়া'ত প্ৰকাশিত এটা নতুন গৱেষণাই এনে কিছুমান প্ৰশ্নৰ কিছু গুৰুত্বপূৰ্ণ উত্তৰ প্ৰদান কৰিছে। গৱেষণাৰ ফলাফলে দেখুৱাইছে যে অতিৰিক্ত ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে যুৱক-যুৱতীসকলৰ মানসিক স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে। সমান্তৰালকৈ যুৱক-যুৱতীসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ সুযোগ সীমিত কৰাৰ বিষয়ে অষ্ট্ৰেলিয়াৰ অভিভাৱকসকলৰ এটা সমীক্ষাও গ্ৰহণ কৰা হৈছিল। সমীক্ষাৰ ফলাফলে ইংগিত দিয়ে যে এই আইনখনে তেওঁলোকৰ সন্তানসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ বিষয়ে অভিভাৱকসকলৰ দৃষ্টিভংগী আৰু আচৰণ পৰিৱৰ্তন কৰিছে।

যোৱা ডিচেম্বৰত অষ্ট্ৰেলিয়াই যেতিয়া ১৬ বছৰৰ কম বয়সৰ কিশোৰ-কিশোৰীসকলৰ বাবে ছ'চিয়েল মিডিয়া ব্যৱহাৰ নিষেধ কৰে, সেই সময়ত ১৬ বছৰ বয়স সীমা ইয়াৰ বাবে উপযুক্ত হয় নে নহয় সেই সন্দৰ্ভত যথেষ্ট বিতৰ্ক হৈছিল। কৈশোৰকালীন ছ'চিয়েল মিডিয়া ব্যৱহাৰ আৰু মানসিক স্বাস্থ্যৰ মাজৰ সম্পৰ্কক লৈ কেইবাটাও দীৰ্ঘম্যাদী গৱেষণা সম্পূৰ্ণ কৰা হৈছে। কিন্তু কৈশোৰৰ বিভিন্ন বয়সত ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ বিপদৰ কোনো পাৰ্থক্য আছে নে নাই সেই বিষয়ে অতি কমসংখ্যক গৱেষণাহে পদ্ধতিগতভাৱে কৰা হৈছে। গ্ৰেট বৃটেইনত ২০২২ চনত পৰিচালিত এটা ডাঙৰ গৱেষণাত দেখা গৈছে যে, সময়ৰ লগে লগে কিশোৰ-কিশোৰীসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ মাত্ৰা বাঢ়ি যোৱাৰ বিষয়টো নিৰ্দিষ্ট কিছু বয়সত নিজৰ জীৱনক লৈ সন্তুষ্টিৰ মাত্ৰা হ্ৰাস পোৱাৰ সৈতে জড়িত আছিল। ছোৱালীৰ বাবে এই নিৰ্দিষ্ট সময়ছোৱা আছিল ১১ৰ পৰা ১৩ বছৰ আৰু ল'ৰাৰ ক্ষেত্ৰত ১৪ৰ পৰা ১৫ বছৰ। এই গৱেষণাটোৱে মূলতঃ জীৱনৰ সন্তুষ্টিৰ ওপৰত আলোকপাত কৰিছিল আৰু ইয়াত মানসিক স্বাস্থ্যৰ বিভিন্ন লক্ষণৰ বিষয়টো মূল্যায়ন কৰা হোৱা নাছিল।

'মেডিকেল জাৰ্ণেল অৱ অষ্ট্ৰেলিয়া'ত প্ৰকাশিত উপৰোক্ত গৱেষণাৰ লক্ষ্য আছিল এই প্ৰৱণতাসমূহ আৰু গভীৰভাৱে পৰীক্ষা কৰা। এই গৱেষণাত মেলব'ৰ্ণৰ ১,১৯৫জন শিক্ষাৰ্থীৰ তথ্য ব্যৱহাৰ কৰা হৈছিল; গৱেষকসকলে বছৰি ১২ৰ পৰা ১৮ বছৰৰ বয়সৰ শিক্ষাৰ্থীসকলৰ ওপৰত পৰ্যৱেক্ষণ চলাইছিল আৰু ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ সৈতে পৰৱৰ্তী সময়ত এই সকল শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য সমস্যাৰ কোনো সম্পৰ্ক আছে নে নাই পৰীক্ষা কৰা হৈছিল। তদুপৰি পৰিসংখ্যাগতভাৱে এনে বিভিন্ন ব্যক্তিগত আৰু পাৰিবাৰিক বিষয়বোৰ বিবেচনা কৰা হৈছে যিবোৰে ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰ আৰু মানসিক স্বাস্থ্য— উভয়কে প্ৰভাৱিত কৰে বুলি জনা যায়। ইয়াৰ ফলত এই গৱেষণাই বিকল্প ব্যাখ্যাসমূহৰ সম্ভাৱনা কমাই ফলাফলৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল যদিও কাৰ্যকাৰণ সম্পৰ্ক প্ৰমাণিত হোৱা নাছিল। গৱেষণাত দেখা গৈছে যে ছ'চিয়েল মিডিয়াত যিসকল কিশোৰ-কিশোৰীয়ে প্ৰতিদিনে এঘণ্টাৰো কম সময় কটায় সেই সকলৰ তুলনাত প্ৰতিদিনে দুঘণ্টাতকৈ অধিক সময় কটোৱা কিশোৰ-কিশোৰীসকলৰ এবছৰৰ পাছত মানসিক স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা বেছি। মানসিক স্বাস্থ্যজনিত সমস্যাৰ ভিতৰত আছিল হতাশাৰ বৰ্ধিত লক্ষণ আৰু সামগ্ৰিক সুস্থতাৰ অভাৱ। গুৰুত্বপূৰ্ণ কথাটো হ'ল— কৈশোৰৰ বিভিন্ন পৰ্যায়ত ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ বিপদ সমানে অনুভৱ কৰা হোৱা নাছিল।

১২ৰ পৰা ১৩ বছৰ বয়সৰ কিশোৰ-কিশোৰীসকলৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে আটাইতকৈ গভীৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল। ১৪ৰ পৰা ১৬ আৰু ১৭ৰ পৰা ১৮বছৰ বয়সৰ কিশোৰ-কিশোৰীসকলৰ তুলনাত এই বয়সৰ (১২-১৩ বছৰ) ক্ষেত্ৰত বিষণ্ণতা আৰু উদ্বেগৰ উপসৰ্গ, মানসিক সুস্থতাৰ অভাৱ আৰু নিজকে ক্ষতি কৰাৰ প্ৰৱণতাৰ আনুমানিক আশংকা আছিল প্ৰায় দুগুণ। সামগ্ৰিকভাৱে প্ৰভাৱৰ মাত্ৰা আছিল পৰিমিত। কিন্তু ১২ৰ পৰা ১৩বছৰ বয়সৰ ছোৱালীৰ ক্ষেত্ৰত প্ৰতিদিনে দুঘণ্টাৰ বেছি সময় ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ বিষয়টো প্ৰতি ১০০ কিশোৰ-কিশোৰীৰ মাজত তীব্ৰ বিষণ্ণতাৰ লক্ষণৰ প্ৰায় ১১টা অতিৰিক্ত ঘটনাৰ সৈতে জড়িত আছিল। যদি সৰহসংখ্যক যুৱক-যুৱতীয়ে প্ৰতিদিনে দুঘণ্টাতকৈ বেছি সময় ছ'চিয়েল মিডিয়াত ব্যয় কৰে তেতিয়া সৰু সৰু প্ৰভাৱো সামগ্ৰিক জনগোষ্ঠীৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ হৈ উঠিব পাৰে।

এই গৱেষণাৰ দ্বাৰা এনে কোনো সুনিৰ্দিষ্ট বয়স নিৰ্ধাৰণ কৰা সম্ভৱ নহয় যেতিয়া ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰ 'নিৰাপদ' হ'ব পাৰে। তদুপৰি, বয়স-ভিত্তিক বাধা-নিষেধ সংক্ৰান্তীয় জাতীয় আইন প্ৰণয়নৰ ক্ষেত্ৰত কেৱল এটা গৱেষণাৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লোৱাও উচিত নহয়। কিন্তু অন্যান্য গৱেষণাৰ ফলাফলৰ সৈতে মিলাই চালে এই গৱেষণাই ইংগিত দিয়ে যে কম বয়সৰ কিশোৰ-কিশোৰীসকল ছ'চিয়েল মিডিয়াৰ সম্ভাব্য ক্ষতিকৰ প্ৰভাৱৰ পৰা অসুৰক্ষিত আৰু বয়ঃসন্ধিৰ আৰম্ভণিতে ইয়াৰ প্ৰভাৱ আটাইতকৈ প্ৰবল হৈ উঠে। অনুমান কৰা যায় ইয়াৰ ফলত অষ্ট্ৰেলিয়াৰ ছ'চিয়েল মিডিয়া বিষয়ক আইনখনে কম বয়সৰ কিশোৰ-কিশোৰীসকলৰ মানসিক স্বাস্থ্যৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ পেলাব। কিন্তু এই কথা নিশ্চিত কৰিবলৈ অধিক গৱেষণাৰ প্ৰয়োজন। কিন্তু কেৱল বয়সভিত্তিক নিষেধাজ্ঞাই কিশোৰ-কিশোৰীসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ সৈতে জড়িত সকলো বিপদ দূৰ কৰাৰ সম্ভাৱনা নাই। গৱেষণাত এনে প্ৰমাণো পোৱা গৈছে যে মানসিক স্বাস্থ্য সমস্যাৰ বাবে কিছু বিপদ—বিশেষকৈ বিষণ্ণতাৰ লক্ষণ বৃদ্ধি পোৱা বিষয়টো ১৮ বছৰ বয়সলৈকে যুৱক-যুৱতীসকলৰ ক্ষেত্ৰত থাকিব পাৰে।

এই বিষয়টোত কিছু পৰিমাণে বয়সস্থ কিশোৰ-কিশোৰীসকলৰ অবিৰত সহায়ৰ প্ৰয়োজন হ'ব পাৰে। ইয়াৰ মাজত আছে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহক এনে কিছুমান এলগৰিদিম আৰু বৈশিষ্ট্যৰ বাবে জবাবদিহি কৰা যিবোৰে ব্যৱহাৰকাৰীসমূহক আসক্তিযুক্ত কৰে আৰু হানিকাৰক বিষয়বস্তুৰ সংস্পৰ্শলৈ আহিবলৈ প্ৰৰোচিত কৰে। অষ্ট্ৰেলিয়াৰ নাগৰিকসকলে অষ্ট্ৰেলিয়াৰ প্ৰস্তাৱিত 'ডিজিটেল ডিউটি অৱ কেয়াৰ' (ডিজিটেল ক্ষেত্ৰত সতৰ্কতাৰ দায়িত্ব সম্বন্ধীয়) সংস্কাৰৰ মাধ্যমেৰে ইয়াক লাভ কৰিব পাৰে। ইয়াৰ উপৰিও বিদ্যালয়ত ডিজিটেল সাক্ষৰতা আৰু সুৰক্ষাৰ ওপৰত শিক্ষা উন্নত কৰা আৰু যুৱক-যুৱতীসকলক সুস্থ অনলাইন অভ্যাস গঢ়ি তোলাত সহায় কৰিবলৈ অভিভাৱকসকলক সহায় কৰা বিষয়টোও জড়িত হৈ আছে।

শেহতীয়াকৈ অষ্ট্ৰেলিয়াত ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা আৰোপকাৰী আইনখনৰ ওপৰত ০ৰ পৰা ১৭ বছৰীয়া শিশুৰ/কিশোৰৰ ২,০০০ৰো অধিক অভিভাৱকসকলৰ মাজত এটা সমীক্ষা চলোৱা হৈছে। সমীক্ষাটোত দেখা গৈছে যে ৫৯ শতাংশ অভিভাৱকৰ মতে এই আইনখনে তেওঁলোকৰ সন্তানসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ ক্ষেত্ৰত নিয়ম-কানুন নিৰ্ধাৰণ কৰাত সহায় কৰিছে। তদুপৰি ৩৯ শতাংশ অভিভাৱকে জনাইছে যে শিশুসকলে ঠিক কিমান বয়সত প্ৰথম ছ'চিয়েল মিডিয়া একাউণ্ট খুলিব পাৰে সেই বিষয়ে তেওঁলোকৰ দৃষ্টিভঙ্গী এই আইনৰ কাৰণে পৰিৱৰ্তিত হৈছে। এইক্ষেত্ৰত সৰ্বাধিক সংখ্যক অভিভাৱকে (৩৮ শতাংশ) ১৬ বছৰ বয়স উপযুক্ত বুলি মতামত দিছে। অপ্ৰকাশিত এই গৱেষণালব্ধ ফলাফলবোৰৰ পৰা বুজা যায় যে জনস্বাস্থ্য নীতিয়ে কোনো আচৰণক 'উপযুক্ত' বা 'প্ৰত্যাশিত' হিচাপে গণ্য কৰাৰ বিষয়টো প্ৰভাৱিত কৰিব পাৰে।

অষ্ট্ৰেলিয়াৰ ছ'চিয়েল মিডিয়া আইনখনৰ প্ৰভাৱৰ তথ্য-প্ৰমাণ এতিয়াও ধীৰে ধীৰে উন্মুক্ত হ'বলৈ ধৰিছে যদিও কিশোৰ-কিশোৰীসকলৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ বিষয়ে বিশ্বব্যাপী আলোচনাত ইতিমধ্যে ই প্ৰভাৱ পেলাইছে। কিশোৰ-কিশোৰীসকলৰ বাবে অষ্ট্ৰেলিয়াৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ নিষেধাজ্ঞাৰ প্ৰশংসা কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অলপতে অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যোৱা মোদীয়ে অনলাইন প্লেটফৰ্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দেশখনৰ গৃহীত পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানিজক কয় যে তথ্য-প্ৰযুক্তি আৰু ছ'চিয়েল মিডিয়াজনিত হানিকাৰক প্ৰভাৱৰ পৰা সমাজক ৰক্ষা কৰাৰ লক্ষ্যৰে অষ্ট্ৰেলিয়াৰ এই উদ্যোগে 'বিশ্বক অনুপ্ৰাণিত কৰিছে।'

ভাৰতত বৰ্তমান নাবালকসকলৰ বাবে ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ সম্বন্ধে সাৰ্বজনীন দেশজোৰা কোনো নিষেধাজ্ঞা নাই যদিও কেন্দ্ৰীয় চৰকাৰে প্ৰযুক্তি সংস্থাবোৰৰ সৈতে বয়স-ভিত্তিক নিষেধাজ্ঞা কাৰ্যকৰী কৰাৰ বাবে আলোচনাত মিলিত হৈছে। ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা (ডিপিডিপি) আইন, ২০২৩ অনুযায়ী, ১৮ বছৰৰ কম বয়সৰ ব্যৱহাৰকাৰীসকলৰ বাবে প্লেটফৰ্মবোৰে অভিভাৱকৰ প্ৰামাণিক সন্মতি ল'ব লাগিব। কেন্দ্ৰীয় চৰকাৰে তিনিটা ঢাপত বয়সৰ স্তৰ প্ৰস্তাৱ কৰিছে—

৮-১২ বছৰ ঃ সীমিত, তত্ত্বাৱধানাধীন ব্যৱহাৰৰ সৈতে কঠোৰতম প্ৰৱেশাধিকাৰ নিয়ন্ত্ৰণ।

১২-১৬ বছৰ ঃ সময়ভিত্তিক সীমা আৰু প্ৰৱেশ (লগ্‌-ইন) নিষেধাজ্ঞাৰ সৈতে পৰ্যৱেক্ষণাধীন প্ৰৱেশাধিকাৰ।

১৬-১৮ বছৰ ঃ বাধ্যতামূলক সুৰক্ষা ব্যৱস্থাৰ সৈতে তুলনামূলকভাৱে নমনীয় প্ৰৱেশাধিকাৰ।

ৰাজ্যিক পৰ্যায়ত চৰকাৰসমূহে ব্যৱহাৰ নিষিদ্ধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে যদিও ডিজিটেল প্লেটফৰ্মসমূহ নিয়ন্ত্ৰণ কৰাৰ সাংবিধানিক কৰ্তৃত্ব কেন্দ্ৰীয় সংসদৰ হাতত আছে।

কৰ্ণাটক— ১৬ বছৰৰ তলৰ শিশুৰ বাবে ছ'চিয়েল মিডিয়া নিষিদ্ধ কৰাৰ ঘোষণা।

অন্ধ্ৰ প্ৰদেশ— ১৩ বছৰৰ তলৰ শিশুৰ বাবে নিষেধাজ্ঞা ঘোষণা কৰা হৈছে। নিয়মকানুন বাস্তৱায়নৰ অংশ হিচাপে ৰাজ্য চৰকাৰে বয়স পৰীক্ষণৰ নিৰাপদ ব্যৱস্থা আৰম্ভ কৰাৰ কথা বিবেচনা কৰিছে; এইবোৰৰ ভিতৰত আছে 'ডিজি-লকাৰ'ৰ সৈতে যুক্ত 'এজ টোকেন'ৰ দৰে পদ্ধতি। ইয়াৰ ফলত গোপনীয়তা আপোচ নকৰাকৈ প্লেটফৰ্মবোৰে ব্যৱহাৰকাৰীৰ বয়স নিৰ্ণয় কৰিব পাৰিব।

ফোন ঃ 84530-58435


## বি এণ্ড এ লিমিটেড

Barooahs H P BAROOAH GROUP

পঞ্জীকৃত কাৰ্যালয় ঃ গাঁও-গৰিয়াহাবি গ্ৰাণ্ট, চাৰিঙিয়া, মৌজা-খঙিয়া, যোৰহাট, অসম-৭৮৫০০৬
CIN: L01132AS1915PLC000200, ইমেইল ঃ cosect@barooahs.in, ৱেবচাইট ঃ www.barooahs.com

৩০ জুন, ২০২৬ তাৰিখে সমাপ্ত হোৱা ত্ৰৈমাসিকীৰ
অহিচাপকৃত ষ্টেণ্ডএলʼন আৰু সুদৃঢ় বিত্তীয় ফলাফলৰ উদ্ধৃতি

(টকা লাখত অন্যথা উল্লেখ কৰা নহʼলে)

| ক্ৰ নং | বিৱৰণ | ষ্টেণ্ডএলʼন: ৩০.০৬.২০২৬ত সমাপ্ত হোৱা ৩ মাহত (অহিচাপকৃত) | ষ্টেণ্ডএলʼন: ৩০.০৬.২০২৫ত সমাপ্ত হোৱা ৩ মাহত (অহিচাপকৃত) | ষ্টেণ্ডএলʼন: ৩১.০৩.২০২৬ত সমাপ্ত হোৱা বৰ্ষত (হিচাপকৃত) | সুদৃঢ়: ৩০.০৬.২০২৬ত সমাপ্ত হোৱা ৩ মাহত (অহিচাপকৃত) | সুদৃঢ়: ৩০.০৬.২০২৫ত সমাপ্ত হোৱা ৩ মাহত (অহিচাপকৃত) | সুদৃঢ়: ৩১.০৩.২০২৬ত সমাপ্ত হোৱা বৰ্ষত (হিচাপকৃত) |
|---|---|---|---|---|---|---|---|
| ১) | অপাৰেচনৰ মুঠ আয় | ২,৯৭৬.৪৯ | ২,১০১.৩৪ | ১৪,২২৬.৪৮ | ৭,১৬০.২৫ | ৫,৫৬২.৮৯ | ২৮,৩১২.২৬ |
| ২) | সময়ছোৱাৰ শুদ্ধ লাভ/(লোকচান) (কৰ, ব্যতিক্ৰমধৰ্মী আৰু / অথবা অসাধাৰণ সামগ্ৰীৰ পূৰ্বে) | ১৮.৯০ | (৪৩০.৭৬) | (৭২৯.৭৭) | ৩৫৫.৯৫ | (২০৫.৮৫) | ২৪৩.৩২ |
| ৩) | কৰৰ পূৰ্বে সময়ছোৱাৰ শুদ্ধ লাভ/(লোকচান) (ব্যতিক্ৰমধৰ্মী আৰু/ অথবা অসাধাৰণ সামগ্ৰীৰ পিছত) | ১৮.৯০ | (৪৩০.৭৬) | (৭২৯.৭৭) | ৩৫৫.৯৫ | (২০৫.৮৫) | ২৪৩.৩২ |
| ৪) | কৰৰ পিছত সময়ছোৱাৰ শুদ্ধ লাভ/(লোকচান) (ব্যতিক্ৰমধৰ্মী আৰু/ অথবা অসাধাৰণ সামগ্ৰীৰ পিছত) | ১৮.২৫ | (৩৯৪.৯৫) | (৮৮৩.২৯) | ২৫৭.৭০ | (২২৮.৯৭) | (১৯৩.৮৫) |
| ৫) | সময়ছোৱাৰ মুঠ ধাৰণশীল আয় (সময়ছোৱাৰ লাভ/ (লোকচানকে ধৰি) (কৰৰ পিছত) আৰু অন্য ধাৰণশীল আয় (কৰৰ পিছত) | ১৮.৯৬ | (৩৯৪.৫৬) | (৮৮০.৭৭) | ২৬১.৩৬ | (২২৮.৫৮) | (১৭৮.৬৬) |
| ৬) | পেইড আপ ইকুইটি শ্বেয়াৰ কেপিটেল (প্ৰত্যেকৰে নিৰ্দ্ধাৰ্য মূল্য ১০/- টকা) | ৩১০.০০ | ৩১০.০০ | ৩১০.০০ | ৩১০.০০ | ৩১০.০০ | ৩১০.০০ |
| ৭) | হিচাপকৃত বেলেঞ্চ শ্বীটত দেখুওৱা অনুযায়ী ৰিজাৰ্ভ (পুনঃমূল্যায়ন ৰিজাৰ্ভ বাদ দি) | - | - | ৭,৩১৪.০৮ | - | - | ১৩,৪০৫.২০ |
| ৮) | প্ৰতিখন শ্বেয়াৰৰ উপাৰ্জন (প্ৰতিখনৰ মূল্য ১০/- টকাৰ) (অব্যাহত আৰু ব্যাহত অপাৰেচনৰ) ৩১ মাৰ্চ ২০২৬ত সমাপ্ত হোৱা বৰ্ষৰ বাহিৰে বাৰ্ষিকীকৰণ কৰা হোৱা নাই) | | | | | | |
| | ১। প্ৰাথমিক (টকা) | ০.৫৯ | (১২.৭৪) | (২৮.৪৯) | ৬.১১ | (৮.৯৬) | (১২.৭১) |
| | ২। তৰলীকৃত (টকা) | ০.৫৯ | (১২.৭৪) | (২৮.৪৯) | ৬.১১ | (৮.৯৬) | (১২.৭১) |

টোকাঃ -

১) কোম্পানী আৰু গ্ৰুপ (বি এণ্ড এ লিমিটেড - অভিভাৱক কোম্পানী আৰু বি এণ্ড এ পেকেজিং ইণ্ডিয়া লিমিটেড- উপ-কোম্পানীক যথাক্ৰমে একেলগে "গ্ৰুপ" বুজোৱা হৈছে) ৰ ওপৰোক্ত ষ্টেণ্ডএলʼন আৰু সুদৃঢ় বিত্তীয় ফলাফল হিচাপ পৰীক্ষক কমিটীৰ দ্বাৰা পৰ্যালোচনা কৰা হয় আৰু ৮ আগষ্ট, ২০২৬ তাৰিখে অনুষ্ঠিত সংশ্লিষ্ট বৈঠকত অভিভাৱক কোম্পানীৰ সঞ্চালক মণ্ডলীয়ে অনুমোদন জনায়।

২) ওপৰোক্ত খতিয়ান হৈছে এছইবিআই বিধি, ২০১৫ (তালিকাকৰণ বাধ্যবাধকতা আৰু ঘোষণাৰ প্ৰয়োজনীয়তা) বিধি ৩৩ অধীনত বম্বে ষ্টক এক্সচেঞ্জত দাখিল কৰা ত্ৰৈমাসিকী আৰ্হিৰ সবিশেষ বিত্তীয় ফলাফলৰ উদ্ধৃতি। ত্ৰৈমাসিকী আৰ্হিৰ বিত্তীয় ফলাফলৰ সম্পূৰ্ণ বিৱৰণ ষ্টক এক্সচেঞ্জৰ ৱেবচাইট (www.bseindia.com) আৰু কোম্পানীৰ ৱেবচাইট (www.barooahs.com) ত উপলব্ধ।

সঞ্চালক মণ্ডলীৰ নিৰ্দেশানুক্ৰমে
স্বাঃ
সোমনাথ চেট্টাৰ্জী
পৰিচালন সঞ্চালক
**(DIN : 00172364)**

স্থান ঃ কলকাতা
তাৰিখ ঃ ৮ আগষ্ট, ২০২৬


## মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ কৃষ্ণগুৰু সেৱাশ্ৰমৰ ৫ লাখ

**'আমাৰ অসম'ৰ সৰুক্ষেত্ৰীৰ প্ৰতিবেদক, ৯ আগষ্ট ঃ** উজনি অসমৰ ভয়াৱহ বানত আক্ৰান্ত হোৱা ৰাইজৰ দুখ-দুৰ্দশা লাঘৱ কৰাৰ উদ্দেশ্যে কৃষ্ণগুৰু সেৱাশ্ৰমে এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। সেৱাশ্ৰমৰ তৰফৰ পৰা অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ লাখ ৫০১ টকাৰ এক আৰ্থিক সাহায্য আগবঢ়ায়। কৃষ্ণগুৰু সেৱাশ্ৰমৰ গুৰুকৃষ্ণ প্ৰেমানন্দ প্ৰভুৰ নিৰ্দেশমৰ্মে আজি কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় পৰিচালনা সমিতিৰ এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে আৰু তেওঁৰ হাতত ৫ লাখ ৫০১ টকাৰ এখন চেক প্ৰদান কৰে। এই চেক প্ৰদান কাৰ্যসূচীত কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তিমাতৃ কুন্তলা পাটোৱাৰী গোস্বামী প্ৰমুখ্যে কৃষ্ণগুৰু সেৱাশ্ৰমৰ কেইবাজনো ভকত উপস্থিত থাকে। উল্লেখ্য, কৃষ্ণগুৰু সেৱাশ্ৰমে সদায় সমাজৰ বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াই আহিছে। ইতিমধ্যে সেৱাশ্ৰম আৰু কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা বানপীড়িত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ৰাইজৰ বাবে ২৫ লাখ টকাৰ প্ৰয়োজনীয় সামগ্ৰী আৰু আৰ্থিক সাহায্য বিতৰণ কৰা হৈছিল। উল্লেখ্য, ১০ আৰু ১১ আগষ্টত শিৱসাগৰৰ কেইবাটাও বানপীড়িত অঞ্চলত কৃষ্ণগুৰু সেৱাশ্ৰম আৰু কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ উদ্যোগত বিনামূলীয়া চিকিৎসা শিবিৰ আৰু প্ৰয়োজনীয় ঔষধ প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

## মৰঙিত বানৰ মাজতে বনৰীয়া হাতীৰ সন্ত্ৰাস

**'আমাৰ অসম'ৰ নুমলীগড়ৰ প্ৰতিবেদক, ৯ আগষ্ট ঃ** মৰঙি মৌজাৰ কৰ্দৈগুৰি আৰু পাতকটীয়াত বানৰ সংহাৰৰ মাজতে বনৰীয়া হাতীৰ সন্ত্ৰাস অব্যাহত আছে। এটা বনৰীয়া হাতী বানৰ মাজত আৱদ্ধ হৈ পৰাত ৰাইজৰ খেদাত অসহায় বন্যহস্তীটোৱে যেনি-তেনি পলাবলৈ চেষ্টা কৰে। মৰঙিৰ কৰ্দৈগুৰিৰ আৰু পাতকটীয়াত এফালে যদি বানৰ সংহাৰ, আনফালে আকৌ বনৰীয়া হাতীৰ তাণ্ডৱ। আজি কৰ্দৈগুৰি, পাতকটীয়া অঞ্চলত বান পৰিস্থিতিৰ মাজতে হঠাৎ এটা বনৰীয়া হাতী ওলোৱাত স্থানীয় ৰাইজৰ মাজত এক উত্তপ্ত তথা আতংকময় পৰিৱেশৰ সৃষ্টি হয়। শেষত কোনোমতে স্থানীয় ৰাইজে একত্ৰিত হৈ খেদা-খেদি কৰাৰ পিছত গজৰাজটো কঁহৰা পাৰ চাপৰিৰ পিনে আঁতৰি যায়। বান আৰু বনৰীয়া হাতীৰ এই দ্বৈত আক্ৰমণত এতিয়া দিশহাৰা হৈ পৰিছে অঞ্চলটোৰ ভুক্তভোগী ৰাইজ। খুমটাই সমষ্টিৰ অন্তৰ্গত এলেকাত যোৱা তিনিদিনত পাঁচটাকৈ ঘৰ বনৰীয়া হাতীয়ে ভাঙি পেলায়। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত পুনৰ ঘৰকেইটা মেৰামতি কৰা হয়।

# বানৰ ভয়াৱহতা

■ চন্দন কুমাৰ নাথ

**প্ৰতি** বছৰে বানপানীয়ে অসমৰ জনজীৱন বিপৰ্যস্ত কৰি আহিছে যদিও, শেহতীয়াকৈ উজনি অসমত যি প্ৰলয়ংকৰী বানৰ সৃষ্টি হৈছে, সি সঁচাকৈয়ে অভূতপূৰ্ব, মৰ্মান্তিক আৰু চৰম উদ্বেগজনক। বানপানী অসমৰ বাবে নতুন সমস্যা নহয়, এই কথা সঁচা। কিন্তু চলিত বৰ্ষৰ জুলাই মাহত উজনি অসমৰ যিসমূহ অঞ্চল পানীৰ তলত জাহ গ'ল, সেয়া বিগত কেইবা দশকৰ ইতিহাসতো হোৱা নাছিল। উপগ্ৰহীয় চিত্ৰ আৰু বাস্তৱিক পৰিস্থিতিয়ে প্ৰমাণ কৰিছে যে এইবাৰৰ বানপানী কেৱল মাত্ৰ এটা সাধাৰণ প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰঞ্চ ই এক গভীৰ জলবায়ু, ভৌগোলিক আৰু পৰিৱেশগত সংকটৰ এক জ্বলন্ত ইংগিত। এগৰাকী সচেতন নাগৰিক হিচাপে এই ভয়াৱহ পৰিস্থিতিৰ কাৰণসমূহ, জনজীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু ইয়াৰ স্থায়ী প্ৰতিকাৰৰ ক্ষেত্ৰত চৰকাৰ তথা সাধাৰণ ৰাইজৰ দায়িত্বৰ বিষয়ে গভীৰভাৱে আলোকপাত কৰাৰ সময় এতিয়া সমাগত।

শেহতীয়া বাতৰি আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (ASDMA) তথ্যৰ ফালে চকু ফুৰালে পৰিস্থিতিৰ ভয়াৱহতা সহজে অনুমান কৰিব পাৰি। চলিত বানত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি আৰু তিনিচুকীয়া জিলা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জুলাই মাহৰ তথ্য অনুসৰি, ৰাজ্যখনৰ প্ৰায় ৭.২৭ লাখৰো অধিক লোক এই বিধ্বংসী বানৰ কবলত পৰিছে আৰু মৃত্যুৰ সংখ্যাই শতকৰ ঘৰ স্পৰ্শ কৰিছেগৈ। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণ আৰু স্বাভাৱিকতকৈ বহুগুণে (প্ৰায় ১৪১%ৰ পৰা ৪৩৬% পৰ্যন্ত) অধিক মাত্ৰাত হোৱা বৰষুণৰ ফলত নামনিৰ জিলাসমূহত এই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ব্ৰহ্মপুত্ৰৰ উপৰিও উজনিৰ প্ৰধান উপনৈসমূহ যেনে— বুঢ়ীদিহিং, দিখৌ, দিচাং, আৰু ধনশিৰিৰ জলস্তৰ বিপদসীমাৰ বহু ওপৰেৰে বৈ গৈছে। ডিব্ৰুগড়ৰ খোৱাং অঞ্চলত বুঢ়ীদিহিং, নামতি আৰু নাজিৰাত দিখৌ, লগতে শিৱসাগৰৰ নাঙলমূৰাঘাটত দিচাং নৈয়ে পূৰ্বৰ সকলো সৰ্বোচ্চ জলস্তৰৰ অভিলেখ ভংগ কৰিছে। ইউৰোপীয় সংঘৰ কপাৰনিকাছ উপগ্ৰহৰ শেহতীয়া চিত্ৰই দেখুৱাইছে যে যোৰহাটৰ সমীপত ব্ৰহ্মপুত্ৰৰ পানী ইয়াৰ স্বাভাৱিক অৱস্থানতকৈ প্ৰায় তিনিগুণ অধিক প্ৰসাৰিত হৈছে, যিটো এক ভয়ংকৰ সংকেত। এই জলপ্ৰলয়ে উজনিৰ যিবোৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলত আগতে কেতিয়াও বানপানী হোৱা নাছিল, সেইবোৰকো সম্পূৰ্ণৰূপে জলমগ্ন কৰি পেলাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তথ্য অনুসৰি শিমলুগুৰি আৰু মৰিয়নিৰ দৰে অঞ্চলত ৰে'লপথ পানীৰ তললৈ যোৱাৰ ফলত বহুতো ৰে'লৰ যাতায়াত বাতিল বা বহু পলমকৈ যাতায়াত কৰাবলগীয়া হৈছে। উজনি অসমত বানপানীৰ এই কাল ৰূপৰ আঁৰত কেৱল প্ৰকৃতিৰ ৰোষেই দায়ী নহয়, বৰঞ্চ মানৱসৃষ্ট কাৰণসমূহো সমানেই দায়ী। ইয়াক আমি দুটা প্ৰধান দিশত আলোচনা কৰিব পাৰোঁ। প্ৰথমটো হ'ল প্ৰাকৃতিক আৰু জলবায়ুগত কাৰণ। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত জলবায়ুৰ ব্যাপক পৰিৱৰ্তন হৈছে, ফলত বৰষুণৰ স্বাভাৱিক বিতৰণ সলনি হৈছে। কম সময়ৰ ভিতৰতে অত্যধিক মাত্ৰাত বৰষুণ হোৱাৰ ফলত নদীসমূহে বিশাল পানীৰ স্ৰোত একেলগে কঢ়িয়াব নোৱাৰা হৈছে। চুবুৰীয়া ৰাজ্যসমূহৰ পৰা পাহাৰীয়া ঢালেৰে নামি অহা পানীয়ে পলস কঢ়িয়াই আনি নৈৰ তলি তৰাং কৰি পেলাইছে। দ্বিতীয়টো হ'ল মানৱসৃষ্ট আৰু প্ৰশাসনিক কাৰণ। নদীৰ উজনি অংশত নিপকো (NEEPCO) আদিৰ দৰে প্ৰকল্পৰ পৰা হঠাতে কোনো আগতীয়া পৰ্যাপ্ত সতৰ্কবাণী নোহোৱাকৈ পানী এৰি দিয়াৰ ফলত নামনিৰ গোলাঘাট, যোৰহাট আদি জিলাত কৃত্ৰিম বানৰ সৃষ্টি হোৱা বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈছে। আনহাতে, ডিব্ৰুগড় আৰু যোৰহাটৰ দৰে ঐতিহাসিক চহৰসমূহত দেখা দিয়া ভয়াৱহ কৃত্ৰিম বানৰ মূল কাৰণ হ'ল অপৰিকল্পিত নগৰীকৰণ। পানী ওলাই যোৱা প্ৰাকৃতিক নলাসমূহ আৰু জলাশয়সমূহ বেদখল কৰি কংক্ৰিটৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে। প্লাষ্টিক আৰু অন্যান্য আৱৰ্জনাৰে নিষ্কাশন প্ৰণালী সম্পূৰ্ণৰূপে পুতি পেলোৱা হৈছে। বনাঞ্চল ধ্বংস, পাহাৰ কটা আৰু নদীৰ বুকুৰ অবৈধ খননৰ ফলত পৰিৱেশৰ ভাৰসাম্য বিনষ্ট হৈছে। মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ নামত চলা দুৰ্নীতি, পুৰণি অবৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ আৰু বাৰিষাৰ ঠিক আগ মুহূৰ্তত্হে কাম আৰম্ভ কৰা প্ৰৱণতাই বান পৰিস্থিতিক অধিক ভয়াৱহ কৰি তুলিছে। উজনি অসম মূলতঃ কৃষি আৰু চাহ উদ্যোগৰ ওপৰত নিৰ্ভৰশীল। এই বানপানীয়ে হাজাৰ হাজাৰ হেক্টৰ কৃষিভূমি নষ্ট কৰিছে। কৃষকৰ সেউজীয়া সপোন পলস আৰু বালিৰ তলত পোত গৈছে। পশুধনৰ ব্যাপক মৃত্যু আৰু বাসগৃহৰ ধ্বংসই গ্ৰাম্য অৰ্থনীতিক পংগু কৰি পেলাইছে। যাতায়াত ব্যৱস্থা, বিদ্যালয়, চিকিৎসালয় আদিৰ আন্তঃগাঁথনি ধ্বংস হোৱাৰ ফলত সাধাৰণ ৰাইজৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিছে। বানপানীৰ পিছত মহামাৰী আৰু খোৱাপানীৰ অভাৱে এক ভয়াৱহ স্বাস্থ্য সংকটৰো সৃষ্টি কৰে।

এই ভয়াৱহ দুৰ্যোগৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল চৰকাৰৰ সাহায্যলৈ বাট চাই থাকিলে নহ'ব। এখন সুৰক্ষিত সমাজ গঢ়িবলৈ চৰকাৰ আৰু ৰাইজ দুয়ো পক্ষৰে সুনিৰ্দিষ্ট দায়িত্ব আছে। প্ৰথম অৱস্থাত, চৰকাৰ আৰু প্ৰশাসনৰ দায়িত্বৰ কথা বিবেচনা কৰিলে দেখা যায় যে, বানপানী প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত আন্তঃগাঁথনি গঢ়ি তোলাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। মথাউৰিসমূহৰ নিৰ্মাণত কেৱল মাটি আৰু বাঁহৰ ব্যৱহাৰৰ সলনি জিঅ'-টেক্সটাইল প্ৰযুক্তি আৰু আধুনিক অভিযান্ত্ৰিক কৌশল ব্যৱহাৰ কৰিব লাগে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গভীৰতা বৃদ্ধি কৰিবলৈ বিজ্ঞানসন্মতভাৱে ড্ৰেজিং কৰাটো অতিশয় জৰুৰী হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, আন্তঃৰাজ্যিক সমন্বয় এক নিৰ্ণায়ক কাৰক। নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ সৈতে এক ফলপ্ৰসূ আগতীয়া সতৰ্কবাণী ব্যৱস্থা (Early Warning System) গঢ়ি তুলিব লাগিব। পাহাৰৰ ওপৰৰ প্ৰকল্পসমূহৰ পৰা পানী এৰি দিয়াৰ পূৰ্বেই নামনিৰ জনসাধাৰণক সময়মতে সুৰক্ষিত স্থানলৈ নিয়াৰ সুব্যৱস্থা থাকিব লাগে। জলাশয় বেদখলকাৰী আৰু বনাঞ্চল ধ্বংসকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰি তাৰ সঠিক ৰূপায়ণ কৰিব লাগিব। ভাৰতীয় সেনা, বায়ু সেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (NDRF) আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (SDRF) আদি সংস্থাসমূহে শেহতীয়াকৈ যিদৰে উদ্ধাৰ অভিযান চলাইছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়, কিন্তু দুৰ্যোগৰ পূৰ্ব-প্ৰস্তুতি আৰু দুৰ্যোগৰ পিছৰ পুনৰ্সংস্থাপন প্ৰক্ৰিয়া অধিক দ্ৰুত আৰু দুৰ্নীতিমুক্ত হোৱা উচিত। আনহাতে, এগৰাকী সচেতন নাগৰিক হিচাপে আমি আমাৰ সামাজিক কৰ্তব্যৰ পৰা কোনো কাৰণতে আঁতৰি থাকিব নোৱাৰো। আমি আমাৰ প্ৰকৃতিৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰ বন্ধ কৰিবই লাগিব। নদীৰ পাৰৰ বেদখল মুক্ত কৰা, জলাশয় আৰু ঐতিহাসিক বিলসমূহ সংৰক্ষণ কৰাত আমি চৰকাৰক সহায় কৰিব লাগিব। প্লাষ্টিক তথা অন্যান্য আৱৰ্জনা য'তে-ত'তে পেলাই চহৰৰ নলা-নৰ্দমা বন্ধ নকৰাটো আমাৰ প্ৰধান কৰ্তব্য। এখন চহৰৰ কৃত্ৰিম বান বহুলাংশে নাগৰিকৰ অসচেতনতাৰ ফল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। গছপুলি ৰোপণ আৰু বৰ্তমান থকা বনাঞ্চল সংৰক্ষণৰ জৰিয়তে আমি মাটিৰ খহনীয়া আৰু বানপানীৰ প্ৰকোপ বহু পৰিমাণে ৰোধ কৰিব পাৰো। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি গাঁও আৰু ৱাৰ্ড পৰ্যায়ত স্থানীয় লোকৰ দ্বাৰা স্বেচ্ছাসেৱী গোট গঠন কৰি আগতীয়া প্ৰস্তুতি চলোৱা উচিত। ওখ স্থানত আশ্ৰয় শিবিৰৰ ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ জ্ঞান আদি সমাজৰ প্ৰতিটো স্তৰতে থাকিলে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুলাংশে হ্ৰাস কৰিব পৰা যাব।

উজনি অসমৰ শেহতীয়া বানপানীয়ে আমাক এক কঠোৰ আৰু স্পষ্ট সতৰ্কবাণী দিছে। প্ৰকৃতিৰ বিৰুদ্ধে গৈ মানুহে কেতিয়াও জয়লাভ কৰিব নোৱাৰে। বানপানীক কেৱল এক ঋতুভিত্তিক সমস্যা বুলি আওকাণ কৰাৰ দিন উকলিল। যদি আমি এতিয়াও সাৰ নাপাওঁ আৰু বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ নকৰোঁ, তেন্তে ভৱিষ্যতে অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ কৃষি আৰু চাহ উদ্যোগ সম্পূৰ্ণৰূপে ধ্বংসৰ মুখত পৰিব। বানপানীৰ সৈতে সহাৱস্থান কৰিবলৈ আমি আধুনিক প্ৰযুক্তি, পৰিৱেশ অনুকূল আন্তঃগাঁথনি আৰু আন্তঃৰাজ্যিক সহযোগিতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব। সকলোৱে সন্মিলিত প্ৰচেষ্টা, সজাগতা আৰু দৃঢ় ইচ্ছা শক্তিৰেহে আমি অসমক বানৰ এই কাল ৰূপৰ পৰা ৰক্ষা কৰি নৱ-প্ৰজন্মক এক সুৰক্ষিত আৰু সেউজ ভৱিষ্যতৰ দিশে আগুৱাই নিব পাৰিম।

ফোন ঃ 91328-49726